Total No. of Printed Pages—3

**6 SEM TDC EL ASM 1**

Qup 1484 A (216)
15/07/2017

**2 0 1 7**

( May )

# ASSAMESE

( Elective )

Course : 601

( ভাষা-সাহিত্য অধ্যয়নৰ ব্যৱহাৰিক দিশ )

DIBRU COLLEGE CENTRAL LIBRARY ESTD. 1963 DIBRUGARH

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) গণমাধ্যম বুলিলে কি বুজা? গণমাধ্যমৰ বিভিন্ন প্ৰকাৰসমূহৰ চমু পৰিচয় দিয়াঁ। ২+১২=১৪

অথবা

(খ) পৰিচয়মূলক টোকা লিখাঁ : ৭+৭=১৪

(১) দৃশ্য-শ্ৰব্য মাধ্যম

(২) মুদ্ৰিত মাধ্যম

২। (ক) শ্ৰব্য মাধ্যম হিচাপে 'ৰেডিঅ' লেখনৰ সুবিধা-অসুবিধাসমূহ আলোচনা কৰা। ১৪

*অথবা*

(খ) টোকা লিখা : ৭+৭=১৪

(১) 'ছপা মাধ্যমৰ বাতৰিৰ লেখন কলা'

(২) দৃশ্য-শ্ৰব্য মাধ্যমত প্ৰচাৰিত বিজ্ঞাপনৰ ভাষা

৩। (ক) পাণ্ডুলিপি সম্পাদনা বুলিলে কি বুজা? গ্ৰন্থ এখন সম্পাদনা কৰোঁতে সম্পাদকে কি কি দিশৰ প্ৰতি গুৰুত্ব দিব লাগে, এই বিষয়ে এটি টোকা যুগুত কৰা। ৩+১২=১৫

*অথবা*

(খ) পাণ্ডুলিপি সম্পাদনাৰ ক্ষেত্ৰত সম্পাদকজনৰ মাজত থাকিবলগীয়া গুণবোৰ উল্লেখ কৰি সম্পাদকজনৰ ভূমিকা আলোচনা কৰা। ৮+৭=১৫

৪। তলৰ যি কোনো দুখন অভিধানৰ পৰিচয় দাঙি ধৰা : ৭×২=১৪

(ক) হেমকোষ

(খ) চন্দ্ৰকান্ত অভিধান

(গ) শৰাইঘাটৰ অভিধান

(ঘ) প্ৰথম মুদ্ৰিত অসমীয়া অভিধান





৫। তলৰ যি কোনো দুটাৰ বিষয়ে লিখা : ৮×২=১৬

(ক) অসমীয়া চাৰিখন সাপ্তাহিক বাতৰি কাকতৰ সম্পাদকসহ নাম লিখা। এই বাতৰি কাকতকেইখনে সামৰি লোৱা শিতানসমূহ উল্লেখ কৰা। ২+২+৪=৮

(খ) একবিংশ শতিকাৰ অসমীয়া শিশু আলোচনী সম্পৰ্কে এটি পৰিচয়মূলক টোকা যুগুত কৰা। ৮

(গ) অসমীয়া বৈদ্যুতিন আলোচনীৰ এটি থূলমূল পৰিচয় দিয়া। ৮

৬। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) অসম সাহিত্য সভাৰ উদ্যোগত প্ৰকাশিত অভিধানখনৰ নাম কি?

(খ) ইণ্টাৰনেট সংযোজিত গণমাধ্যমসমূহক কি মাধ্যম বোলা হয়?

(গ) 'সাদিনীয়া নৱযুগ'ৰ সম্পাদকজন কোন আছিল?

(ঘ) ৰেডিঅ' সম্প্ৰচাৰত ব্যৱহৃত 'FM' শব্দটোৰ সম্পূৰ্ণ ৰূপটো লিখা।

(ঙ) 'টেলিভিছন' শব্দটো ক'ৰ পৰা উৎপত্তি হৈছে?

(চ) 'পুৰণি পুথি অধ্যয়ন আৰু সম্পাদনা' শীৰ্ষক গ্ৰন্থখনৰ প্ৰণেতাজনৰ নাম লিখা।

(ছ) 'দৈনিক জনমভূমি'ৰ বৰ্তমানৰ সম্পাদকজনৰ নাম লিখা।

★★★